**অসম বিধান সভা অধিবেশন – ২০২৬**
**লিখিত প্ৰশ্ন নং: ২৩২**
**উত্তৰ দিয়াৰ তাৰিখ: ১০/০৭/২০২৬**

বিষয়: ১১৯ নং সোনাই বিধান সভা সমষ্টি সম্পর্কে। বিধায়ক : শ্রীআমিনূল হক লস্কর :

মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) সোনাই বিধান সভায় কতটুকু সংরক্ষিত গো-চারণ ভূমি (VGR Land) আছে? এবং কোথায় আছে?

(খ) এর মধ্যে কতটুকু সরকারের দখলে আছে ? যতটুকু সংরক্ষিত গো-চারণ ভূমি বেদখল হয়েছে এর বিরুদ্ধে সরকার কি পদক্ষেপ নিয়েছেন?

(গ) সোনাই বিধা সভার অন্তর্গত সোনাই মিউনিসিপালিটি এলেকার ৭ নং ওয়ার্ডের অধিনস্ত উত্তর মোহনপুরে কতটুকু সংরক্ষিত গো-চারণ ভূমি (VGR) আছে ? এর মধ্যে কতটুকু সরকারের দখলে রয়েছে ?

**উত্তৰ**

**মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিছে :**

(ক) জিলা আয়ুক্ত সকলৰ পৰা পোৱা তথ্য অনুসৰি, সোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ভি.জি.আৰ (VGR) ভূমিৰ পৰিমাণ হৈছে ১৪২৯ বিঘা ০৯ কঠা ১৫ ছটক। এই ভূমিখিনি থকা গাওঁসমূহৰ তালিকা তলত দিয়া হ'ল:

| ক্ৰমিক নং | গাওঁৰ নাম | মাটিৰ পৰিমাণ |
|---|---|---|
| ১ | কাজিৰধৰ অংশ-২ | ২৬ বিঘা ০৩ কঠা ১৫ ছটক |
| ২ | দক্ষিণ মোহনপুৰ অংশ-১ | ৩৪ বিঘা ১১ কঠা ০২ ছটক |
| ৩ | দক্ষিণ মোহনপুৰ অংশ-৯ | ২০৬ বিঘা ০৩ কঠা ০৪ ছটক |
| ৪ | নতুন ৰামনগৰ অংশ-২ | ১৪৫ বিঘা ০৮ কঠা ০২ ছটক |
| ৫ | গোবিন্দনগৰ অংশ-১ | ৩০ বিঘা ১৯ কঠা ০ ছটক |
| ৬ | নগদিৰগ্ৰাম অংশ-৪ | ০৬ বিঘা ০৬ কঠা ০৪ ছটক |
| ৭ | নিজ-বাঁশকান্দি অংশ-২ | ২৭ বিঘা ১৯ কঠা ১০ ছটক |
| ৮ | ৰতনপুৰ | ৫১ বিঘা ১০ কঠা ১২ ছটক |

| **ক্ৰমিক নং** | **গাওঁৰ নাম** | **মাটিৰ পৰিমাণ** |
|---|---|---|
| ৯ | গোবিন্দপুৰ অংশ-১ | ৪৯ বিঘা ০৬ কঠা ০২ ছটক |
| ১০ | গোবিন্দপুৰ অংশ-২ | ১৬ বিঘা ১৮ কঠা ০ ছটক |
| ১১ | আলগাপুৰ অংশ-২ | ০৬ বিঘা ০২ কঠা ১২ ছটক |
| ১২ | বাগপুৰ অংশ-২ | ৩০ বিঘা ০৭ কঠা ১১ ছটক |
| ১৩ | জাঞ্জাৰবালি | ১৯ বিঘা ০৫ কঠা ০৪ ছটক |
| ১৪ | ধানেহৰি অংশ-১ | ২৩০ বিঘা ১৫ কঠা ০৪ ছটক |
| ১৫ | সোনাবাৰীঘাট অংশ-১ | ০৭ বিঘা ১৫ কঠা ০০ ছটক |
| ১৬ | সোনাবাৰীঘাট অংশ-২ | ২৬৭ বিঘা ০৯ কঠা ০৫ ছটক |
| ১৭ | সিঙৰবন্দ অংশ-১ | ৩০ বিঘা ০৫ কঠা ০০ ছটক |
| ১৮ | সিঙৰবন্দ অংশ-২ | ৫৯ বিঘা ০৮ কঠা ০২ ছটক |
| ১৯ | শিবপুৰ অংশ-১ | ৩৫ বিঘা ১৬ কঠা ০৭ ছটক |
| ২০ | শিবপুৰ অংশ-২ | ৮৫ বিঘা ০৯ কঠা ০ ছটক |
| ২১ | উত্তৰ মোহনপুৰ | ৬১ বিঘা ০৯ কঠা ১৫ ছটক |
| **মুঠ** | | **১৪২৯ বিঘা ০৯ কঠা ১৫ ছটক** |

(খ) তলত উল্লেখ কৰা ভূমিক বাদ দি বাকী সকলো উপৰোক্ত ভি.জি.আৰ. (VGR) ভূমি বৰ্তমান চৰকাৰৰ নিয়ন্ত্ৰণাধীন হৈ আছে:

**(i)** উপৰোক্ত তালিকাৰ ১ ৰ পৰা ২০ লৈকে উল্লেখ কৰা ৰাজহ গাঁওসমূহৰ ভি.জি.আৰ. ভূমিৰ কিছু অংশত সাময়িক শস্যৰ খেতি, মাছ ধৰা বা মীন পালনৰ বাবে পুখুৰী খন্দা আদিৰে অস্থায়ী ভাৱে বেদখল কৰি থকা দেখা যায়। বেদখল হৈ থকা ভূমিৰ সঠিক পৰিমাণ প্ৰতিখন ৰাজহ গাঁৱৰ বিশদ জৰীপৰ পিছতহে নিশ্চিত কৰিব পৰা যাব।

**(ii)** ১১৯-সোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত **উত্তৰ মোহনপুৰ** ৰাজহ গাঁৱত (সোনাই পৌৰসভাৰ ৭ নং ৱাৰ্ড) **১৩ বিঘা ০৩ কঠা ১১ ছটাক** ভি.জি.আৰ. ভূমিত ঘৰ-দুৱাৰ, দোকান-পোহাৰ, চি.চি. ব্লক ৰাস্তা, মীন পালন (Fishery), বাউণ্ডাৰী দেৱাল, খেলপথাৰ আদি নিৰ্মাণ কৰি বেদখল কৰি আছে। ইয়াৰোপৰি এই স্থানত সোনাই পৌৰসভাই অমৃত ২.০ (AMRUT 2.0) আঁচনিৰ অধীনত সেউজ উদ্যান) আৰু পুখুৰী নিৰ্মাণ কৰা পৰিলক্ষিত

হৈছে (যিটো উক্ত স্থানত থকা নাগৰিক তথ্য ফলক চমুকৈ CIB-ৰ আধাৰত জানিব পৰা গৈছে)।

(গ) ১১৯-সোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত উত্তৰ মোহনপুৰ ৰাজহ গাঁৱত (সোনাই পৌৰসভাৰ ৭ নং ৱাৰ্ড) সৰ্বমুঠ ৬১ বিঘা ০৯ কঠা ১৫ ছটাক ভি.জি.আৰ. ভূমি আছে। ইয়াৰে ১৩ বিঘা ০৩ কঠা ১১ ছটাক মাটিত ইতিমধ্যে ঘৰ-দুৱাৰ, দোকান-পোহাৰ, চি.চি. ব্লক ৰাস্তা, মীন পালন, বাউণ্ডাৰী দেৱাল, খেলপথাৰ আৰু অমৃত ২.০ আঁচনিৰ পাৰ্ক আদিৰে বেদখল হৈ আছে। ইয়াৰ বিপৰীতে বাকী থকা ৪৮ বিঘা ০৬ কঠা ০৪ ছটাক ভি.জি.আৰ. ভূমি বৰ্তমান চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন আৰু বেদখলমুক্ত হৈ আছে।

+*********